**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। মুদ্ৰা আঁচনিত অনাদায়ী ঋণৰ হাৰ বিশ্বৰ ভিতৰত আটাইতকৈ কম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী, তথা ডুবাইৰ যুৱৰাজ শ্বেইখ হামদান বিন মহম্মদ আল মাকট'ম দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰত লৈ আহিছে।

৩। মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে আজিৰেপৰা পোষণ পযেকৰ সপ্তম সংস্কৰণ ৰূপায়ণ কৰিছে।

৪। জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী ধৰ্মীয় সংগঠন হাৰিয়াৎ কনফাৰেঞ্চৰ পৰা তিনিটা ৰাজনৈতিক সংগঠন ওলাই আহিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া দুখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছৰ বিৰুদ্ধে আৰু পঞ্জাব কিংছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

মুদ্ৰা আঁচনিত অনাদায়ী ঋণৰ হাৰ বিশ্বৰ ভিতৰত আটাইতকৈ কম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ইংৰাজী দৈনিক কাকত এখনৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ অধীনত আগবঢ়োৱা ঋণৰ মাত্ৰা ৩ দশমিক ৫ শতাংশহে অনাদায় হৈ আছে। বিশ্বজুৰি অনাদায়ী ঋণৰ তুলনাত এই হাৰ অতি নগন্য বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে পূৰ্বৰ ইউ পি এৰ শাসনকালত বেংকসমূহ অনাদায় ঋণৰ হেঁচাত থকাৰ লগতে ক্ষমতাত থকাসকলৰ সৈতে সু-সম্পৰ্ক থকাসকলেহে ঋণ লাভ কৰিছিল। তাৰ পৰিৱৰ্তে মুদ্ৰা আঁচনিৰ জৰিয়তে সম্পদসমূহ তৃণমূল পৰ্যায়ৰ লোকে লাভ কৰাৰ উপৰি আৰ্থিক স্থিৰতাৰ সৈতে এৰা-ধৰা নকৰাকৈ উদ্যমিতা ত্বৰান্বিত হৈছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে মুদ্ৰা ঋণ হৈছে – তৃণমূল পৰ্যায়ৰ লোকসকলৰ আত্ম-নিৰ্ভৰশীলতা, সৃষ্টিশীলতা, উদ্ভাৱন, উদ্যমিতাৰ সমৰ্থতা ত্বৰান্বিত হোৱাটো সুনিশ্চিত কৰাৰ ব্যাপক দৃষ্টিভংগীৰ অংশ। তেওঁ লগতে কয়, যে মুদ্ৰা যোজনাৰ জৰিয়তে চৰকাৰে প্ৰতিগৰাকী ভাৰতীয়ৰ আশা-আকাংক্ষা পূৰ কৰাৰ যাত্ৰাত চৰকাৰৰ সমৰ্থন সদায় থকাটো সুনিশ্চিত কৰা হৈছে। বেংকিং ব্যৱস্থাৰ বিষয়ে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ বেংকসমূহৰ বৰ্তমানৰ অৱস্থা সুস্থিৰ হৈ থকাৰ লগতে বহু বেংকে চৰকাৰৰ সংস্কাৰ ব্যৱস্থাৰ জৰিয়তে অভিলেখসংখ্যক লাভ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে। বেংকসমূহৰ সুস্থিৰ অৱস্থাৰ জৰিয়তে বিগত দশকত মুদ্ৰা, পি এম স্ব-নিধি আৰু ষ্টেণ্ডআপ ইণ্ডিয়াকে ধৰি বিভিন্ন আঁচনি সফলভাৱে ৰূপায়িত হৈছে। তেওঁ লগতে কয়, যে এই আঁচনিসমূহৰ জৰিয়তে দেশৰ বেংক ব্যৱস্থাৰ পৰা ক্ষুদ্ৰ উদ্যোগীসকলে সুন্দৰ সঁহাৰি লাভ কৰিছে। তৃণমূল পৰ্যায়ৰ লোকসকলৰ উদ্যমিতাৰ প্ৰতি সমৰ্থন জনোৱাৰ তথা তেওঁলোকৰ বাবে বিত্তীয় অন্তৰ্ভুক্তি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত দেশৰ বেংক ব্যৱস্থাই অবিৰতভাৱে সমৰ্থন আগবঢ়াই যাব বুলি শ্ৰী মোদীয়ে

আশা প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে মুদ্ৰা যোজনাৰ আধাসংখ্যক হিতাধিকাৰী অনুসূচিত জাতি, জনজাতি তথা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ হোৱাৰ লগতে ৭০ শতাংশতকৈও অধিক হিতাধিকাৰী মহিলা। প্ৰধানমন্ত্ৰী মোদীয়ে আঁচনিখনৰ হিতাধিকাৰীসকলৰ সৈতে তেওঁৰ বাসগৃহত মত বিনিময় কৰে। তেওঁ কয়, যে মুদ্ৰা যোজনাই অসংখ্য লোকক তেওঁলোকক উদ্যমিতাৰ দক্ষতা প্ৰদৰ্শনৰ সুযোগ দিছে। এই আঁচনিৰ অধীনত কোনো নিশ্চিতি অবিহনে হিতাধিকাৰীসকলক ৩৩ কোটি টকা প্ৰদান কৰা হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে দেশৰ যুৱচামক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। এই মত বিনিময় অনুষ্ঠানত হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰীগৰাকীৰ আগত  তেওঁলোকৰ অভিজ্ঞতা প্ৰকাশ কৰে।

০০০০০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী তথা ডুবাইৰ যুৱৰাজ শ্বেইখ হামদান বিন মহম্মদ আল মাকট'ম  দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে। ৰাজ্যমন্ত্ৰী সুৰেশ গোবীয়ে তেওঁক বিমান বন্দৰত আদৰণি জনায়। ডুবাইৰ যুৱৰাজ হিচাপে এয়া তেওঁৰ প্ৰথম আনুষ্ঠানিক ভাৰত ভ্ৰমণ। তেওঁৰ সৈতে কেইবাগৰাকী মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু উচ্চ পৰ্যায়ৰ এটা ব্যৱসায়িক প্ৰতিনিধিৰ দল ভাৰতলৈ আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ সন্মানাৰ্থে দুপৰীয়াৰ আহাৰৰ আয়োজন কৰিছে। ভ্ৰমণকালত তেওঁলোকে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰিব। সন্ধিয়াৰ ভাগত তেওঁ মুম্বাইলৈ ৰাওনা হ'ব আৰু তাত তেওঁ দুয়োখন দেশৰ বিশিষ্ট ব্যৱসায়ীসকলৰ সৈতে এখন ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব। এই বাৰ্তালাপে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ভাৰতৰ অৰ্থনৈতিক তথা ব্যৱসায়িক সহযোগিতা সুদৃঢ় কৰিব। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি দুয়োখন দেশৰ মাজত ব্যৱসায়িক, সাংস্কৃতিক আৰু জনসাধাৰণৰ পাৰস্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত ডুবাইয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণ কৰাৰ লগে লগে দুয়োখন দেশৰ পৰম্পাৰগত শক্তিশালী দ্বিপাক্ষিক সম্পৰ্ক ত্বৰান্বিত হৈ উঠিছিল।

ভাৰতৰ প্ৰায় ৪৩ লাখ লোক ৰাষ্ট্ৰখনত বসবাস কৰাৰ লগতে  বিভিন্ন কৰ্মত জড়িত হৈ আছে। যুৱৰাজগৰাকীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত উমৈহতীয়া কৌশলগত অংশীদাৰিত্ব আৰু ডুবাইৰ সৈতে বহুপাক্ষিক সম্বন্ধ সুদৃঢ় কৰিব।

০০০০০০

———মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে আজি **পোষণ পখেক**ৰ সপ্তম সংস্কৰণ ৰূপায়ণ কৰিছে। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচী আয়োজিত হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ চাৰিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই অনুসৰি শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা এই ধবজাবাহী কাৰ্যসূচীৰ জৰিয়তে গৰ্ভৱতী মহিলা, শিশুক দুগ্ধপান কৰোৱা মাতৃ, কিশোৰী তথা ছবছৰ বয়সলৈকে শিশুসকলৰ পৰিপুষ্টি সুনিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে। সূচনা কালৰেপৰা এতিয়ালৈ ছটা সফল **পোষণ পখেক**ৰ আয়োজন কৰা হৈছে। এই

কাৰ্যসূচীৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰিপুষ্টি অভিযানত সামূহিক অংশগ্ৰহণ ত্বৰান্বিত হোৱাৰ লগতে  এই সন্দৰ্ভত সমাজত সজাগতা বৃদ্ধি হৈছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী ধৰ্মীয় সংগঠন হাৰিয়াৎ কনফাৰেঞ্চৰ পৰা তিনিটা ৰাজনৈতিক সংগঠন ওলাই আহিছে। হাৰিয়ৎ কনফাৰেঞ্চ ত্যাগ কৰা দলকেইটা হৈছে – জম্মু-কাশ্মীৰ ইছলামিক ৰাজনৈতিক দল, জম্মু কাশ্মীৰ মুছলিম ডেম'ক্ৰেটিক লীগ আৰু কাশ্মীৰ ফ্ৰিডম ফ্ৰণ্ট। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দল তিনিটাৰ এই পদক্ষেপক আদৰণি জনায়। তেওঁ কয়, যে ইয়াৰ জৰিয়তে ভাৰতীয় সংবিধানৰ প্ৰতি জনসাধাৰণৰ আস্থা প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ একত্ৰিত আৰু শক্তিশালী ভাৰতৰ দৰ্শনক পুনৰ সুদৃঢ় কৰি বৰ্তমানলৈকে ১১ টা সংস্থাই বিচ্ছিন্নতাবাদী সংগঠনৰ পৰা ওলাই আহিছে বুলি  শ্ৰী শ্বাহে উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী ৩ দিনীয়া ভ্ৰমণসূচীৰে যোৱা দেওবাৰে জম্মু-কাশ্মীৰত উপস্থিত হয়। তেওঁ সেইদিনা কাঠুৱা জিলাৰ বিনয় সীমান্ত আৰক্ষী চকী পৰিদৰ্শন কৰি পাকিস্তানৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। শ্ৰী শ্বাহে আজি শ্ৰী নগৰত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ পৰ্যালোচনা কৰিব।

০০০০০০০০০

পাঞ্জাবৰ জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰাক্তন মন্ত্ৰী মনোৰঞ্জন কালিয়াৰ জলন্ধৰৰ বাসগৃহলৈ যোৱানিশা দুৰ্বৃত্তই এটা গ্ৰেণেড দলিয়াই থৈ যায়। ঘটনাৰ সময়ত নিজ গৃহত থকা নেতাগৰাকী কোনোমতে ৰক্ষা পৰে। আমাৰ জলন্ধৰৰ সংবাদদাতাই জনোৱা মতে চিচিটিভিৰ ফুটেজ নিৰীক্ষণ কৰি ই-ৰিক্সাত অহা দুৰ্বৃত্তই গ্ৰেণেড দলিয়াই যোৱা বুলি নেতাগৰাকীয়ে প্ৰকাশ কৰিছে। গ্ৰেণেডটো বিস্ফোৰণৰ পাছতে জলন্ধৰৰ আৰক্ষী আয়ুক্ত ধনপ্ৰীত কৌৰ আৰক্ষী দলৰ সৈতে ঘটনাস্থলীত উপস্থিত হয় আৰু ঘটনাৰ তদন্ত আৰম্ভ কৰে।

০০০০০০০০০

লোকনৃত্যৰ সাধক, পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিশিষ্ট শিল্পী ৰাম চহায় পাণ্ডেৰ মধ্য প্ৰদেশৰ সাগৰ অঞ্চলৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটিছে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯২ বছৰ। কানেড়া দেৰ গাঁৱত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। প্ৰয়াত পাণ্ডেই মধ্য প্ৰদেশৰ বেদীয়া সম্প্ৰদায়ৰ ৰায় লোকনৃত্যৰ উত্তৰণত বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। ৰায় নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ২০২২ চনত তেওঁক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হৈছিল। মধ্য প্ৰদেশ চৰকাৰে তেওঁক নৃত্য শিৰোমণি উপাধিৰে সন্মানিত কৰিছিল। তেওঁৰ মৃত্যুত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মোহন যাদৱে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লোককলা আৰু ৰায় নৃত্যক বিশ্ববাসীৰ আগত চিনাকি কৰাই দিয়াৰ ক্ষেত্ৰত পাণ্ডেৰ ভূমিকাৰ কথা সোঁৱৰে। শিল্পীগৰাকীৰ মৃত্যু ৰাজ্যখনৰ শিল্পকলা জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি শ্ৰী যাদৱে উল্লেখ কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেন্‌ছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

ইপিনে, চণ্ডীগড়ৰ মহাৰাজা য়াড়বিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত পঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ান্ছক ১২ ৰানত পৰাস্ত কৰে। মুম্বাইয়ে ২২২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৯ টা উইকেট হেৰুৱাই ২০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooooooo

সমাপ্ত